| | | | |
|---|---|---|---|
| 1. | Name of the Programme | : | **Memorial Day Celebration of Dr. Moheswar Neog** |
| 2. | Date | : | **13/09/2022** |
| 3. | In connection with observation of ……………… Day (If any) | : | |
| 4. | Organized by | : | Organized by the Department of Assamese & Language-literature Club, Bholanath College, Dhubri and in collaboration with Dhubri Zila Sahitya Sabha. |
| 5. | Name of Resource person/judges | : | 1. Dr. Lina Deka, Professor, Srimanta Sankardev University.<br>2. Dr. Upendrajit Sarma, Head of the Department of Assamese, B.N. College, Dhubri.<br>3. Tarani Kanta Rai, President, Dhubri Zila Sahitya Sabha. |
| 6. | Number of participants/students | : | 46 |
| 7. | Name, Class, Roll no of the winners | : | N/A |

8. A brief write up of the programmme (with web snaps/phots):

Memorial Day was celebrated on 13th October 2022 of Dr. Moheswar Neog, a renowned witer, former president of Asam sahitya sabha. On this occasion, a special lecture programme has been Organized by the Department of Assamese & Language-literature Club, Bholanath College, Dhubri and in collaboration with Dhubri Zila Sahitya Sabha. The programme was conducted by Dr. Upendrajit Sarma, Magazine Editor, Asam Sahitya Sabha and Head of Assamese Department, Dhubri Bholanath College. Artist Malvika Dihidar performed in Bargeet at the beginning of the programme.

The programme was inaugurated by Dr. Dhruba Chakraborty, Principal of Dhubri Bholanath College. The programme was presided by Tarani Kanta Rai, President of Dhubri Zila Sahitya Sabha. Dr. Lina Deka, Professor, Srimanta Sankardev University, delivered a special lecture on " Dr. Moheswar Neogar Dristit Ashomiya Sahityar Yugo Bibhajon". The meeting concluded with a national anthem performance.






# ভোলানাথ মহাবিদ্যালয়ত ডঃ মহেশ্বৰ নেওগৰ স্মৃতিত বক্তৃতানুষ্ঠান

জিলাৰ বাতৰি দিওঁতা

ধুবুৰী, ১৩ ছেপ্টেম্বৰ ঃ প্ৰথিতযশা সাহিত্যিক, গৱেষক পণ্ডিত, প্ৰাচ্য বিদ্যাৰ্ণৱ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ মহেশ্বৰ নেওগৰ স্মৃতি দিৱস উপলক্ষে আজি ধুবুৰী জিলা সাহিত্য সভাৰ সহযোগত আৰু ধুবুৰী ভোলানাথ মহাবিদ্যালয়ৰ ভাষা-সাহিত্য চ'ৰা (অসমীয়া বিভাগ)ৰ উদ্যোগত এক বক্তৃতা অনুষ্ঠান অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক তথা ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ উপেন্দ্ৰজিৎ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত হয়। আৰম্ভণিতে অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে জিলা সাহিত্য সভাৰ সম্পাদক আজাদা আলী আহমেদে। তেওঁ কয় যে অসমীয়া সাহিত্য-সংস্কৃতি জগতখনৰ ভেটাতৰা সদৃশ ডঃ মহেশ্বৰ নেওগৰ অৱদান বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। সঁচা অৰ্থত জাতীয় জীৱনৰ দায়বদ্ধতাৰে পণ্ডিতগৰাকীয়ে অসমীয়া জাতিক নেতৃত্ব দিছিল। অনুষ্ঠানটোত 'ডঃ মহেশ্বৰ নেওগৰ দৃষ্টিত অসমীয়া সাহিত্য বুৰঞ্জীৰ যুগ বিভাজন' শীৰ্ষক বক্তৃতা প্ৰদান কৰে বিশিষ্ট সাহিত্যিক তথা শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ডঃ লীনা ডেকাই। ডঃ ডেকাই অসমীয়া সাহিত্যৰ আৰম্ভণিৰপৰা বৰ্তমান ৰেখাংকন কৰি ডঃ নেওগৰ দৃষ্টিত যুগ বিভাজনৰ প্ৰাসংগিকতা ব্যাখ্যা কৰে। তেওঁ কয় যে ডঃ মহেশ্বৰ নেওগৰ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ যুগ বিভাজন অধিক বিজ্ঞানসন্মত আৰু বিদ্যায়তনিক। গুগল মিটৰ জৰিয়তে অনুষ্ঠিত উক্ত অনুষ্ঠানৰ আৰম্ভণিতে কামৰূপী লোকগীত পৰিৱেশন কৰে বিশিষ্ট কবি, শিল্পী প্ৰণীতা হালৈয়ে। অনুষ্ঠানত সভাপতিত্ব কৰে ধুবুৰী জিলা সাহিত্য সভাৰ সভাপতি তৰণী কান্ত ৰায়ে। ডঃ মহেশ্বৰ নেওগ ৰচিত কবিতা আবৃত্তি কৰে মহাবিদ্যালয়ৰ ছাত্ৰ আব্দুল হানিফ খানে। অংশগ্ৰহণকাৰীৰ বক্তব্যত ভোলানাথ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ডঃ অলকা শৰ্মা, নলবাৰী জিলা সাহিত্য সভাৰ সম্পাদক পংকজ বেজবৰুৱা আদিয়ে বক্তব্য আগবঢ়ায়। অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ লগতে ছাত্ৰ-ছাত্ৰীবৃন্দই অংশগ্ৰহণ কৰে।




